# এমট্ৰনৰ বিশেষজ্ঞৰ দ্বাৰা সভাৰ কৰ্মচাৰীক গ্ৰন্থ ডিজিটাইজেচনৰ প্ৰশিক্ষণ



মনোজকুমাৰ বৰুৱা
(বাওঁপিনৰ পৰা চতুৰ্থজন),
ত্ৰিদিব কুমাৰ বৰুৱা
(বাঁওপিনৰ পৰা পঞ্চমজন)
আৰু প্ৰশিক্ষণ কাৰ্যসূচীত
অংশগ্ৰহণকাৰী অন্যান্যসকল

অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ এচাম কৰ্মচাৰীক যোৱা ২৮ ডিচেম্বৰ তাৰিখে এমট্ৰনৰ এটি বিশেষজ্ঞৰ দলে গ্ৰন্থ ডিজিটাইজেচন সম্পৰ্কে প্ৰশিক্ষণ দিয়ে। সভাৰ গুৱাহাটী কাৰ্যালয়ৰ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত অনুষ্ঠিত এই প্ৰশিক্ষণত এমট্ৰনৰ জ্যেষ্ঠ বিষয়া মনোজকুমাৰ বৰুৱাৰ নেতৃত্বত দলটিয়ে সভাৰ কৰ্মচাৰীক গ্ৰন্থ ডিজিটাইজেচন প্ৰক্ৰিয়াৰ বিভিন্ন পৰ্যায় যেনে কেটেল'গিং, মেটাডাটা ক্ৰিয়েচন, প্ৰডাকচন চিডিউল আদি স্তৰৰ বিষয়ে থুলমূলকৈ কয়।

উল্লেখযোগ্য যে আজি কিছুদিন আগতে অসম সাহিত্য সভাই নিজা এটি ডিজিটেল আৰ্কাইভ গঠনৰ জৰিয়তে সভাই প্ৰকাশ কৰা তাৎপৰ্যপূৰ্ণ গ্ৰন্থসমূহ আৰু অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ আপুৰুগীয়া গ্ৰন্থসমূহ ডিজিটাইজেচন কৰাৰ প্ৰকল্প কাৰ্যতঃ ৰূপায়িত কৰিবলৈ এমট্ৰনৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তি অনুসৰি কামখিনি নিয়াৰিকৈ সম্পন্ন হ'বলৈ এমট্ৰনে যথোচিত আন্তঃগাঁঠনি আৰু প্ৰয়োজনীয় মানৱ সম্পদ নিয়োগৰ ব্যৱস্থা কৰিব যাতে নিৰ্বাচিত গ্ৰন্থসমূহ পুনৰগঠন প্ৰক্ৰিয়াৰ জৰিয়তে (অ'. চি. আৰ., ডি. টি. পি., স্কেনিং, ইত্যাদি) সংৰক্ষণ সুনিশ্চিত কৰা হয়।

উল্লিখিত প্ৰশিক্ষণ কাৰ্যসূচীত এমট্ৰনৰ বিশেষজ্ঞৰ দলটিত শ্ৰীবৰুৱাৰ সৈতে উপস্থিত আছিল প্ৰশান্ত লহকৰ, উতংক কলিতা আৰু মুকুল কলিতা। বিশিষ্ট ছফট্‌ৱেৰ বিশেষজ্ঞ তথা সভাৰ তথ্য প্ৰযুক্তি উপ-সমিতিৰ এগৰাকী দায়িত্বশীল সদস্য ত্ৰিদিব কুমাৰ বৰুৱাৰ উপস্থিতিত প্ৰশিক্ষণ কাৰ্যসূচীত সভাৰ কৰ্মচাৰী কবিতা বৰা নেওগ, অপৰাজিতা চক্ৰৱৰ্তী মিশ্ৰ, ৰীমা কলিতা আৰু অভিজিৎ কলিতাই অংশগ্ৰহণ কৰিছিল।

০০০০